# অসমীয়া খবৰ

নিৰ্ভীক, নিৰপেক্ষ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

-২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ ত্ৰয়োদশ বছৰ সংখ্যা ৪৩ দেওবাৰ ৭ পুহ ১৯৪৫ শক ২৪ ডিচেম্বৰ ২০২৩ চন ASOMIYA KHABAR JORHAT SUNDA


ৰা
লাভ
ধন
কয়া

দিক বাজীৰ ৰবাৰ নাম। তওঁ জমা দিছিল 'উন্নত ৰুতিগত অধ্যয়ন আৰু পত্ৰ সম্পূৰ্ণ কৰি অসম ঞ্চালকালয়ৰ কাৰ্যালয়ত তিক্ৰম কৰাৰ পাছতো ধন। জানিব পৰা মতে, ৰ এটা হোৱাটছএপ গ্ৰুপ চৰকাৰী পক্ষই কোনো যদি সদিচ্ছা নাছিলেই, নাম ঘোষণা কৰি এইলৈও প্ৰশ্ন উঠিছে।

# ডিব্ৰুগড়ত বিজ্ঞান সমিতিৰ উদ্যোগত জয়শ্ৰী মেধি স্মাৰক বক্তৃতানুষ্ঠানৰ সম্পন্ন

ষ্টাফ্ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৩ ডিচেম্বৰ ঃ ডিব্ৰুগড় বিজ্ঞান সমিতি আৰু কানৈ মহাবিদ্যালয়ৰ উদ্যোগৰ লগতে জয়শ্ৰী মেধি পৰিয়ালৰ সহযোগত জয়শ্ৰী মেধি স্মৃতি বক্তৃতানুষ্ঠান আৰু ৰচনা প্ৰতিযোগিতাৰ বঁটা প্ৰদান অনুষ্ঠান কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী আৰু বিশিষ্ট ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত পৌৰোহিত্য কৰে ডিব্ৰুগড় বিজ্ঞান সমিতিৰ সভাপতি ড° ভাৰতী দত্তই। জয়শ্ৰী মেধিৰ সম্পৰ্কত বক্তব্য আগবঢ়ায় সম্পাদক নাছিৰ চুলতানে। জয়শ্ৰী মেধিৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে সভাপতিয়ে। শ্ৰদ্ধাঞ্জলি নিৱেদন কৰে প্ৰয়াত মেধিৰ স্বামী, চিকিৎসক ডাঃ ৰমাপ্ৰসাদ মেধি, ড° পৰমানন্দ মহন্ত আৰু ড° প্ৰদীপ কুমাৰ ভূঞা আদি বিশিষ্ট ব্যক্তিসকলে। প্ৰাৰ্থনা কৰে বিজয়লক্ষ্মী শৰ্মা গোস্বামীয়ে। নিৰ্দিষ্ট বক্তা পদাৰ্থ বিজ্ঞানী ড° প্ৰদীপ কুমাৰ ভূঞাৰ জীৱন তথা বিদ্যায়তনিক দিশত আলোকপাত কৰে ড° চুলতানা হাজৰিকাই। বায়ুমণ্ডলীয় বিজ্ঞানৰ এগৰাকী পণ্ডিত, গৱেষক বিজ্ঞানীগৰাকীয়ে জলবায়ু পৰিৱৰ্তনৰ সম্পৰ্কে পাৱাৰ পইণ্ট প্ৰেজেণ্টেচনৰ জৰিয়তে জলবায়ু পৰিৱৰ্তনৰ কাৰণ আৰু উষ্ণতা বৃদ্ধিৰ তথ্যভিত্তিক প্ৰমাণ উপস্থাপন কৰে। মানৱৰ কাৰ্যকলাপৰ ফলত সেউজ গৃহ গেছৰ বৃদ্ধিৰ ফলত বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধিৰ বিস্তৃত ব্যাখ্যা কৰাৰ লগতে উষ্ণতা বৃদ্ধিৰ প্ৰাকৃতিক কাৰণবো ব্যাখ্যা আগবঢ়ায় বিজ্ঞানীগৰাকীয়ে। প্ৰায় ৪৫ মিনিট প্ৰদান কৰা বক্তৃতাই সকলোকে উপকৃত কৰে। অন্ধবিশ্বাস দূৰীকৰণত বিজ্ঞান বিষয়ৰ ৰচনা প্ৰতিযোগিতাত স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিছিল। তিনিগৰাকী বিজয়ী প্ৰতিযোগী হ'ল যথাক্ৰমে—পূজা দত্ত, ফাহ্নাজ বেগম, নুজাহত টাস্কিন, ডি এইছ এছ কে আইন মহাবিদ্যালয়। উদ্‌গনি বঁটা লাভ কৰে মনোহাৰী দেৱী মহাবিদ্যালয়ৰে লীজা চুতীয়াই। অনুষ্ঠানত কেউগৰাকীকে প্ৰশংসা-পত্ৰ আৰু নগদ ধনেৰে উৎসাহিত কৰা হয়। বঁটা বিতৰণৰ অনুষ্ঠান পৰিচালনা কৰে বিজ্ঞান সমিতিৰ কাৰ্যকৰী সভাপতি সুদক্ষিণা দাসে। সভাত অনুভৱ ব্যক্ত কৰে কানৈ কলেজৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, ডাঃ ৰমা প্ৰসাদ মেধি আৰু ড° পৰমানন্দ মহন্তই। সভাপতিৰ মন্তব্যত ড° ভাৰতী দত্তই প্ৰয়াত জয়শ্ৰী মেধিৰ স'তে ছাত্ৰী অৱস্থাতে থকা সম্পৰ্কৰ কথা সোঁৱৰে। সভাৰ অন্তত শলাগৰ শৰাই আগবঢ়ায় সমিতিৰ উপ-সভাপতি ড° ৰঞ্জিত সিংহাই। অনুষ্ঠানত বহু লোকে অংশ গ্ৰহণ কৰে বুলি জানিবলৈ দিছে।